Under CSR Support by ipca | Foundation missiongyan

## অধ্যায় - ১৫ | মহোহো

## QUIZ-01

**১. মহোহো গীত ক'ত গোৱা হয় ?**
A) উজনি অসমত
B) নামনি অসমত
C) নামঘৰত
D) মন্দিৰ সমূহত
**Answer: B**
**Explanation: নামনি অসমত মহোহো গীত গোৱা হয়।**

**২. এই গীতত ব্যৱহৃত ভাষা কেনে ধৰণৰ ?**
A) অসমীয়া ভাষা
B) অসমীয়া আঞ্চলিক ভাষা
C) সংস্কৃত ভাষা
D) ইংৰাজী ভাষা
**Answer: B**
**Explanation: মহোহো গীতত আঞ্চলিক ভাষা ব্যৱহৃত হৈছে ।**

**৩. 'মহোহো' ৰ মূল উদ্দেশ্য কি ?**
A) ধৰ্মীয় বিৰৰণ
B) উৎসৱ
C) কৃষিভিত্তিক লোক উৎসৱ
D) পূজা
**Answer: C**
**Explanation: মহোহো কৃষিভিত্তিক লোক উৎসৱ ।**

**৪. মহোহো গীতটো কি খেদাৰ কথা কৈছে ?**
A) মহ
B) ম'হ
C) বনৰীয়া ম'হ
D) ভালুক
**Answer: C**
**Explanation: বনৰীয়া ম'হ খেদাৰ কথা কোৱা হৈছে।**

**৫. 'ভাখ্ৰীৰৰ ধান বাঢ়ক' ৰ অৰ্থ কি ?**
A) ভঁৰালৰ ধান বাঢ়ক
B) ভঁৰালৰ ধন বিক্ৰী কৰক
C) ভঁৰালৰ ধন কমক
D) ভঁৰালত পইচা বাঢ়ক
**Answer: A**
**Explanation: ভাখ্ৰী মানে ভঁৰাল । ভৰালৰ ধান বাঢ়ক বুলি আশীৰ্বাদ কৰিছে**

**৬. "ভাল হক, কুশল হক" বাক্যটোত কোন ভাব প্ৰকাশ পাইছে ?**
A) দুখ
B) ভয়
C) আশীৰ্বাদ
D) ক্ৰোধ
**Answer: C**
**Explanation: এই বাক্যটোত সকলোৰে মংগল হোওক বুলি আশীৰ্বাদ দিয়া হৈছে ।**

**৭. গীতটিত 'এনহৰ' শব্দটোৱে কি বুজাইছে ?**
A) এওঁলোকৰ
B) তেওঁৰ
C) মোৰ
D) সিহঁতৰ
**Answer: A**
**Explanation: গীতটোত এনহৰ শব্দটোৱে এওঁলোকৰ বুলি বুজাইছে।**

**৮. "সোণাৰ নাঙাল" আৰু "ৰূপৰ ফাল" কোন কামৰ সৈতে জড়িত ?**
A) ঘৰ সাজ
B) কৃষিকাৰ্য
C) বাণিজ্য
D) যাত্ৰা
**Answer: B**
**Explanation: : নাঙাল আৰু ফাল দুয়োটাই খেতি কৰাৰ উপকৰণ ।**

**৯. 'বেটাই' শব্দই কি বুজাইছে ?**
A) পো
B) ছোৱালী
C) নাতি
D) নাতিনী
**Answer: A**
**Explanation: 'বেটাই' শব্দই পো বুজাইছে ।**

**১০. মহোহো গীতত কি জন্তুৰ ভাও লোৱা হয় ?**
A) ৰাম
B) ভালুক
C) সাপ
D) সিংহ
**Answer: B**
**Explanation: মহোহো গীতত ভালুকৰ ভাও লোৱা হয় ।**

মিশন জ্ঞান জব চাহে, জহাঁ চাহে, জৈসা চাহে!
100% FREE!
Video COURSES | QUIZ | PDF | TEST SERIES
Download Mission Gyan App